# মজলিছে শ্বুৰাৰ গুৰুত্ব শ্বুৰাৰ সদস্য আৰু জামাতৰ পদবীদাৰ সকলৰ দায়িত্ব

মজলিছে শ্বুৰা ভাৰত

# মজলিছে শ্বুৰাৰ গুৰুত্ব ,শ্বুৰাৰ সদস্য আৰু জামাতৰ  পদবীদাৰ সকলৰ দায়িত্ব

অনুবাদক
মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা
(ইনচাৰ্জ অসমীয়া ডেস্ক)

| | |
|---|---|
| নাম কিতাপ | মজলিছে শ্বুৰাৰ গুৰুত্ব ,শ্বুৰাৰ সদস্য আৰু জামাতৰ পদবীদাৰ সকলৰ দায়িত্ব |
| মূল কিতাপ | মজলিছে শ্বুৰা কি এহমিয়ত আউৰ মেম্বাৰ শ্বুৰা আউৰ উহদাদাৰান জামাত কি জিম্মাদাৰিয়া |
| অনুবাদক | মজিবৰ ৰহমান মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্ক) |
| প্ৰকাশক | মজলিছে শ্বুৰা ভাৰত |
| প্ৰথম প্ৰকাশ | ২০২৫ কপি ৫০০ |
| মূদ্ৰণে | ফজলে উমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান জিলা গুৰদাছপুৰ, ১৪৩৫১৬ পঞ্জাৱ |

| | |
|---|---|
| **Name Book** | **Majlis-e-Shoorar Gurutta, Shoorar Hadasha aru Jamatar Padabidarhakalar Daiyotto** |
| **Original Book** | **Majlishe Shura ki Ahmiyat Aor Membarane Shura Wa Uhdedarane Jama'at Ki Zimmadariyan** |
| **Translated by** | **Mozibar Rahman Muballig (Incharge Assamese Desk)** |
| **Published by** | **Majlise-Shoora Bharat** |
| **First Published** | **2025, Copies 500** |
| **Printed at** | **Fazle Umar Printing Press Qadian, Dist.Gurdaspur, 143516 ( Punjab)** |

**১২ মে ২০২৩ চনত ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আলখামিছ (আইঃ) য়ে প্ৰদান কৰা খোতবা জুমা**

# সূচীপত্ৰ


| সূচীপত্ৰ | পৃঃ নং |
|---|---|
| ১। সদস্য সকলৰ কিছুমান দায়িত্ব মজলিছে শুৰাৰ প্ৰস্তাৱনা সমূহ খলিফাৰ ফালৰ পৰা অনুমোদন হোৱাৰ পিছতহে কাৰ্যকৰী কৰা হয়; সেই সিদ্ধান্ত সমূহ আৰু নিজৰ ভূমিকা পালন কৰা প্ৰত্যেকজন সদস্যৰ কৰ্তব্য। | 8 |
| ২। যিসকলৰ অধীনত আঁহজৰত (ছাঃ)ৰ কাম আগবঢ়াই লোৱাৰ দায়িত্ব অৰ্পন কৰা হৈছে আৰু তেখেত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুসৰি তেখেত (ছাঃ)ৰ দাসত্বত আগমন হোৱা মছীহ ও মাহদী মাওউদ (আঃ) ৰ অভিযান সম্পূৰ্ণ কৰাৰ দায়িত্ব অৰ্পন কৰা হৈছে সিহঁতে এই কাম ভালপোৱা, প্ৰেম আৰু উত্তম আচৰণৰ সৈতে কৰিব লাগিব। | 9 |
| ৩। মজলিছে শুৰা, পৰামৰ্শ দিয়াৰ বৈঠক হয়, সিদ্ধান্ত লোৱাৰ বৈঠক নহয়। ৪। যুগৰ খলিফা আল্লাহ তা'লাৰ আদেশ আৰু আঁহজৰত (ছাঃ)ৰ ছুন্নত অনুযায়ী পৃথিৱীত বিস্তাৰ লাভ কৰা জামাতৰ পৰিস্থিতি অনুযায়ী পৰামৰ্শ বিচাৰে। | 9 |
| ৫। হজৰত আবু হুৰায়ৰা (ৰাঃ)ৰ পৰা বৰ্ণিত যে মই আঁহজৰত (ছাঃ) তকৈ অধিক আন কোনোবাক চাহাবা | 13 |

সকলৰ পৰা পৰামৰ্শ লওঁতা দেখা নাই।
৬। যি ঠাইত শ্বুৰাৰ সদস্য সকল আছে সিহঁতৰ
প্ৰত্যেকেই স্মৰণ ৰখা উচিত যে সিহঁতে যি পৰামৰ্শ
দিয়ে পোনপ্ৰথমে নিজকে এই কথাৰ ওপৰত প্ৰস্তুত
ৰাখিব লাগিব যে আমি এই পৰামৰ্শ সমূহ অনুমোদিত
হোৱাৰ পিছত কাৰ্যক্ষেত্ৰলৈ পৰিণত কৰিম বা যুগৰ 15
খলিফাই যি সিদ্ধান্ত কৰে তাৰ ওপৰত কাৰ্যকৰী কৰাৰ
বাবে প্ৰস্তুত থাকিম।
৭। পৰামৰ্শ দিয়া সকলে সদায় মনত ৰখা উচিত যে 15
সিহঁতৰ পৰামৰ্শ যেন সদিচ্ছা আৰু খোদাৰ প্ৰতি ভয়
কৰি উচ্চ পৰ্যায়ৰ হয়।
৮। সৰ্বদা স্মৰণ ৰখা উচিত যে মজলিছে শ্বুৰা (পৰামৰ্শ
সভা)খিলাফতৰ সহায়ক; এই দৃষ্টিকোণৰ পৰা জামাত 18
আহমদীয়াত খিলাফতৰ পাছত ইয়াৰ গুৰুত্ব অনেক।
৯। যি ঠাইত দৃঢ় পৰিকল্পনাৰ প্ৰয়োজন আছে, তাত
বাস্তৱিক প্ৰচেষ্টাৰো প্ৰয়োজন আছে। 26
১০। নিজৰ উত্তম আচাৰ-আচৰণ, মানুহৰ সৈতে প্ৰেম,
ভ্ৰাতৃত্ব বন্ধনৰ সম্পৰ্ক, সিহঁতৰ প্ৰতি দয়াৰ আচৰণ
হৃদয়ত সৃষ্টি হোৱা, সিহঁতৰ আৰু নিজৰ বাবেও দোৱাত
মগ্ন থকা, যুগৰ খলিফাৰ আনুগত্যৰ মানদণ্ড যেতিয়া
প্ৰত্যেক জন পদবীদাৰ আৰু শ্বুৰাৰ সদস্য সকলৰ মাজত
উন্নত পৰ্যায়ৰ হ'ব, তেতিয়াহে আমি ঐক্যবদ্ধ ভাৱে
জামাতৰ মাজত বিপ্লৱ দেখিবলৈ পাম। 26
১১। পৃথিৱীৰ সমগ্ৰ দেশতে শ্বুৰা এই উদ্দেশ্যে অনুষ্ঠিত
কৰা হয় যাতে আমি কৌশল অৱলম্বন কৰি আমাৰ

| | |
|---|---|
| কৰ্মত শুধৰণী আনিব পাৰো আৰু এক খোদাৰ পয়গাম পৌচাবৰ বাবে আৰু পৃথিৱীখনক এক উম্মত বনোৱাৰ বাবে আঁহজৰত (ছাঃ)ৰ পতাকাৰ তলত অনাৰ বাবে কৌশল অৱলম্বন কৰি বিপ্লৱ আনিব পাৰো। | 26 |
| ১২। আমি চান্দা সংগ্ৰহ কৰাৰ বাবে এনে উত্তম কৌশল অৱলম্বন কৰা উচিত যাৰ ফলত অতি কম খৰচতে ধৰ্ম বিস্তাৰ লাভ কৰা আৰু বেছি প্ৰচাৰ-প্ৰসাৰৰ কাম সম্পাদন কৰিব পাৰো। | 27 |

**১২ মে ২০২৩ চনত ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল খামিছ (আইঃ)য়ে মছজিদ মোবাৰক ইছলামাবাদ টিলফৰ্ড বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবা।**

أَشْهَدُ أَنْ لَّا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَ رَسُوْلُهُ۔ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ﴿۱﴾ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ﴿۲﴾ الرَّحْمٰنِ الرَّحِيْمِ ﴿۳﴾ مٰلِكِ يَوْمِ الدِّيْنِ ﴿۴﴾ إِيَّاكَ نَعْبُدُ وَ إِيَّاكَ نَسْتَعِيْنُ ﴿۵﴾ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ﴿۶﴾ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَ لَا الضَّآلِّيْنَ ﴿۷﴾

فَبِمَا رَحْمَةٍ مِّنَ اللّٰهِ لِنْتَ لَهُمْ وَلَوْ كُنْتَ فَظًّا غَلِيْظَ الْقَلْبِ لَانْفَضُّوْا مِنْ حَوْلِكَ فَاعْفُ عَنْهُمْ وَاسْتَغْفِرْ لَهُمْ وَشَاوِرْهُمْ فِي الْأَمْرِ فَإِذَا عَزَمْتَ فَتَوَكَّلْ عَلَى اللّٰهِ إِنَّ اللّٰهَ يُحِبُّ الْمُتَوَكِّلِيْنَ

(آل عمران:160)

**অনুবাদ ঃ** পিছত তুমি যে সিহঁতৰ প্ৰতি মৰমিয়াল হ'বা ই আল্লাহৰ কৰুণা ; কিন্তু যদি তুমি অশিষ্ট আৰু কঠিন অন্তঃকৰণৰ হলেহেঁতেন তেন্তে নিশ্চয় সিহঁতে তোমাৰ কাষৰ পৰা ছেদেলি-ভেদেলি হৈ পৰিলেহেঁতেন ; গতিকে সিহঁতৰ অপৰাধ মাৰ্জনা কৰা আৰু সিহঁতৰ

কাৰণে আল্লাহৰ পৰা ক্ষমা ভিক্ষা কৰা ; আৰু শাসন কাৰ্যত সিহঁতৰ লগত পৰামৰ্শ কৰিবা ; পিছত যেতিয়া তুমি কোনো কাৰ্যৰ সংকল্প কৰা, তেতিয়া আল্লাহৰ ওপৰত নিৰ্ভৰ কৰিবা ; বাস্তৱতে যিসকলে তেওৰ ওপৰত নিৰ্ভৰ কৰে আল্লাই তেওঁলোকক ভাল পায়। (ছুৰা আল ইমৰান আয়াত ১৬০)

এতিয়া বিভিন্ন দেশত মজলিছে শুৰা অনুষ্ঠিত হৈ আছে। কিছু দেশত হৈ গৈছে। কিছু দেশত এই সপ্তাহতে অনুষ্ঠিত হ'ব আৰু ক'ৰবাত পৰৱৰ্তী সপ্তাহত হ'ব। জাৰ্মানত আজিৰ পৰা আৰম্ভ হৈ আছে। ইয়াৰ লগতে আৰু অনেক দেশ আছে ; এইদৰে ইউ,কেত মজলিছে শুৰা অহা সপ্তাহত আৰম্ভ হ'ব। ইয়াৰ লগতে আন আন দেশতেও অনুষ্ঠিত হ'ব।

শুৰাৰ গুৰুত্ব আৰু পদবীদাৰ সকলৰ দায়িত্ব সন্দৰ্ভত পূৰ্বৰ খোতবাত মই মনোযোগ আকৰ্ষণ কৰিছোঁ, কিন্তু সেয়া কেইবা বছৰ অতিবাহিত হৈ গৈছে ; সেই কাৰণে মই প্ৰয়োজন বোধ বুলি ভাৱিছো যে আজি আকৌ আল্লাহ তা'লাৰ আদেশ অনুযায়ী আঁহজৰত (ছাঃ)ৰ আদৰ্শ আৰু জামাতী ৰিৱায়তৰ পদ্ধতি সম্বন্ধে কিছু আলোকপাত কৰো, যাতে য'ত শুৰাৰ বৈঠক অনুষ্ঠিত হৈ গৈছে তাতে থকা শুৰাৰ প্ৰতিনিধি সকলে এই কথাৰ পৰা উপকৃত হ'ব পাৰে, যি কথা সমূহ শুৰাৰ সদস্য সকলৰ সন্দৰ্ভত বৰ্ণিত। শুৰাৰ সদস্য সকলে স্মৰণ ৰখা উচিত যে কিছু দায়িত্ব মজলিছে শুৰাৰ প্ৰস্তাৱনা সমূহ খলিফাৰ ফালৰ পৰা অনুমোদন হোৱাৰ পিছতহে কাৰ্যকৰী কৰা হয়; সেই সিদ্ধান্ত সমূহ আৰু নিজৰ ভূমিকা পালন কৰা প্ৰত্যেকজন সদস্যৰ কৰ্তব্য।

সেয়ে এই দায়িত্ব সমূহৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰাৰ আগতে সেই আয়াত যি মই তিলাওত কৰিছোঁ তাৰ আলোকতে কিছু কথা

বৰ্ণনা কৰিম। আঁহজৰত (ছাঃ)ৰ আদৰ্শ আৰু তেখেত (ছাঃ)ৰ পদ্ধতি সমূহৰ বিষয়ে বৰ্ণনা কৰিম। উক্ত আয়াতত এই কথাৰ সত্যায়ন কৰা হৈছে যে আঁহজৰত (ছাঃ) আল্লাহ তা'লাৰ বিশেষ কৃপাত নিজৰ উম্মতৰ সদস্য সকলৰ বাবে বৰ কোমল হৃদয়ৰ অধিকাৰী আছিল। তাতে আল্লাহ তা'লাই এই কথাৰ ফালেও আমাক মনোযোগ আকৰ্ষণ কৰিছে আৰু পথ প্ৰদৰ্শন কৰিছে যিসকলৰ অধীনত আঁহজৰত (ছাঃ)ৰ কাম আগবঢ়াই লোৱাৰ দায়িত্ব অৰ্পন কৰা হৈছে আৰু তেখেত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুসৰি তেখেত (ছাঃ)ৰ দাসত্বত আগমনকাৰী মছীহ ও মাহদী মাওউদ (আঃ) ৰ মিচন সম্পূৰ্ণ কৰাৰ দায়িত্ব ন্যস্ত; সিহঁতে এই কাম ভালপোৱা, প্ৰেম আৰু উত্তম আচৰণৰ সৈতে কৰিব লাগিব।

আল্লাহ তা'লা কৈছে যে যদি উত্তম আচৰণ কৰা নহয়, কঠোৰ আচৰণ কৰা হয়, খং কৰা হয়, তেতিয়া লোক সকল দূৰ হৈ যাব। আল্লাহ তা'লা ক্ষমাৰ আচৰণ আৰু ক্ষমাৰ সৈতে দোৱা কৰাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰিছে লগতে পৰামৰ্শ কৰাৰো আদেশ প্ৰদান কৰিছে।

এই নীতি আৰু শিক্ষাৰ অনুসৰণত মজলিছে শুৰা অনুষ্ঠিত কৰা হয়; যিদৰে নামৰ পৰাই জানিব পৰা যায় যে এয়া পৰামৰ্শ দিয়াৰ বৈঠক, সিদ্ধান্ত লোৱাৰ বৈঠক নহয়।

সেই কাৰণে কোৱা হৈছে পৰামৰ্শৰ পিছত যি সিদ্ধান্ত তুমি কৰা, সেয়া আল্লাহ তা'লাৰ ওপৰত ভৰসা কৰি কাৰ্য ক্ষেত্ৰলৈ পৰিণত কৰা। যেতিয়া আল্লাহ তা'লাৰ ওপৰত ভৰসা কৰিব তেতিয়া ফলাফল কল্যাণময় হ'ব। নিৰ্ভৰতাৰ উত্তম দৃষ্টান্ত আমি আঁহজৰত (ছাঃ)ৰ অস্তিত্বত দেখিবলৈ পাওঁ।

আঁহজৰত (ছাঃ)ক বহু বিষয়ত আল্লাহ তা'লাই নিজৰ ফালৰ

পৰা পোনপটীয়াকৈ পথ-প্ৰদৰ্শন কৰিছিল ; কিন্তু বিশেষকৈ কোনো বিষয়াৱলী সন্দৰ্ভত তেখেত (ছাঃ)য়ে নিশ্চয় পৰামৰ্শ বিচাৰিছিল যেতিয়ালৈকে আল্লাহ্ তা'লাৰ পক্ষৰ পৰা কোনো সুস্পষ্ট আদেশ প্ৰকাশ পোৱা নাছিল। তেখেত (ছাঃ)ৰ এই কাৰ্যাৱলী আৰু আল্লাহ তা'লাৰ আদেশে আমাক এই কথা স্পষ্ট কৰে যে জামাতী পদবীদাৰ আৰু জামাতৰ সদস্য সকল পৰস্পৰে পৰস্পৰৰ সৈতে পৰামৰ্শ কৰি কাম কৰা উচিত।

আল্লাহ তা'লাৰ এয়া কৃপা যে আহমদীয়া জামাতক খিলাফতৰ অনুগ্ৰহৰে সমৃদ্ধ কৰিছে সেই কাৰণে যুগৰ খলিফাই আল্লাহ্ তা'লাৰ আদেশ আৰু আঁহজৰত (ছাঃ)ৰ ছুন্নত অনুযায়ী পৃথিৱীত বিস্তাৰ লাভ কৰা জামাতৰ পৰিস্থিতি অনুযায়ী পৰামৰ্শ বিচাৰে।

গতিকে ইয়াত কোনো সন্দেহ নাই যে যদি আল্লাহ তা'লাই ইচ্ছা কৰিলেহেঁতেন, তেন্তে নবী কৰিম (ছাঃ)ৰ প্ৰত্যেক বিষয় সন্দৰ্ভত পথ-প্ৰদৰ্শন কৰিলেহেঁতেন। কিন্তু তেখেত (ছাঃ)ক কিছু বিষয় সন্দৰ্ভত পৰামৰ্শ বিচৰাৰ আদেশ প্ৰদান কৰিছে। তেখেত (ছাঃ) য়ে কিছু বিষয় সন্দৰ্ভত পৰামৰ্শ বিচাৰি বাস্তৱতে আমাক সঠিক পথত আৰু এক উম্মত হোৱাৰ পথত পৰিচালিত হোৱাৰ বাবে পথ-প্ৰদৰ্শন কৰিছে। এই সন্দৰ্ভত হাদীছৰ পৰা সুস্পষ্ট; হজৰত ইবনে আব্বাছ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে যেতিয়া شَاوِرْهُمْ فِي الْأَمْرِ আয়াত অৱতীৰ্ণ হয় তেতিয়া আঁহজৰত (ছাঃ)য়ে কয়, আল্লাহ আৰু তাৰ ৰছুল ইয়াৰ পৰা স্বতন্ত্ৰ । আল্লাহ তা'লাই তেখেতক আমাৰ উম্মতৰ বাবে ৰহমত স্বৰূপ কৰিছে। গতিকে ইয়াৰ মাজত যিয়ে পৰামৰ্শ কৰিব, তেওঁ সঠিক পথ আৰু পথ প্ৰদৰ্শনৰ পৰা বঞ্চিত নহ'ব। যিয়ে পৰামৰ্শ নিবিচাৰিব তেওঁ লাঞ্ছনাৰ পৰা ৰক্ষা পাব নোৱাৰে। (আলজামেউল শ্বাবুল ঈমান খণ্ড ১০, পৃঃ

৪১, হাদীছ ৭১৩৬ মতবুৰা মুক্তাবাতুৰ ৰাশিদ নাশিৰিন ৰিয়াজ ২০০৩ চন )

আঁহজৰত (ছাঃ) নিঃসন্দেহ এই সমূহ পৰামৰ্শ লোৱাৰ পৰা স্বতন্ত্ৰ আছিল; সেয়া সত্ত্বেও তেখেত (ছাঃ)য়ে পৰামৰ্শ লৈছিল যাতে উম্মতৰ আগত সেই আদৰ্শ প্ৰতিষ্ঠা কৰিব পাৰে যাৰ কল্যাণত উম্মতে চিৰকাল ঐশ্বৰিক কল্যাণৰাজি লাভ কৰিব পাৰে, আৰু সৰ্বদা সত্য আৰু হিদায়তৰ পথত পৰিচালিত হৈ থাকে, আৰু লাঞ্ছনাৰ পৰা নিৰাপদ থাকিব পাৰে।

এয়া আমাৰ প্ৰতি আল্লাহ তা'লাৰ ফালৰ পৰা বিশেষ অনুগ্ৰহ যে আমাৰ মাজত শ্বুৰাৰ ব্যৱস্থাপনা অব্যাহত আছে। গতিকে প্ৰত্যেকজন আহমদী আৰু প্ৰত্যেক জন শ্বুৰাৰ সদস্যৰ উচিত যে ইয়াৰ গুৰুত্ব বুজি আল্লাহৰ প্ৰতি কৃতজ্ঞ জ্ঞাপন কৰা উচিত। কাৰণ সেইজনাই আমাৰ বাবে হিদায়ত আৰু সঠিক পথ আৰু পথ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিছে। মহানবী (ছাঃ)য়ে কেতিয়াবা পৰামৰ্শ লৈছে আৰু সেই পৰামৰ্শ লোৱাৰ নীতি কেনে আছিল? এই সন্দৰ্ভত আমি ইতিহাসৰ পৰা যি জানিব পাৰিছো, তাৰ মাজৰ পৰা কিছু কথা মই বৰ্ণনা কৰিম। খুলফায়ে ৰাশিদিন (আঁহজৰত ছাঃৰ পিছত অহা চাৰিজন খলিফা) সকলেও সেই নীতিৰ ওপৰতেই অব্যাহত আছিল। হজৰত মছীহ মাওউদ (আঃ)য়েও ইয়াৰ অনুসৰণ কৰিছে। সাধাৰণতে পৰামৰ্শ গ্ৰহণ কৰাৰ তিনিটা নীতি আমি দেখিবলৈ পাওঁ। প্ৰথম নীতি হ'ল পৰামৰ্শৰ যোগ্য কোনো বিষয় সন্মুখলৈ আহিলে তেতিয়া এজন ব্যক্তিয়ে ঘোষণা কৰিছিল যে লোক সকল একগোট হৈ যাওঁক, তেতিয়া লোক সকলে একগোট হৈছিল। ইয়াৰ পিছত যি মতামত প্ৰকাশ কৰা হৈছিল, সেই সন্দৰ্ভত নবী কৰিম (ছাঃ) বা খলিফা সকলে সিদ্ধান্ত লৈছিল যে এই সমূহ পৰামৰ্শৰ ভিত্তিত এয়া

হ'ল আমাৰ সিদ্ধান্ত ; আৰু এনেদৰে বাস্তবায়ন কৰা হ'ব। সেই যুগত চৰ্দাৰৰ ব্যৱস্থা আছিল; সেই কাৰণে সাধাৰণতে গোত্ৰৰ অনেক লোক একগোট হৈছিল। সেই চৰ্দাৰ বা আমিৰে ৰায় প্ৰদান কৰিছিল। সিহঁতৰ এজন প্ৰতিনিধি আছিল। লোক সকলে সেই প্ৰতিনিধিৰ কথাৰ ওপৰত সন্মতি প্ৰকাশ কৰিছিল যে আমাৰ চৰ্দাৰ বা আমিৰে আমাৰ প্ৰতিনিধিত্বত ৰায় প্ৰদান কৰিব। যদি সেই সময় সিহঁতৰ প্ৰথা অনুযায়ী কোনোবাই উল্লাসিত হৈ ৰায় প্ৰদান কৰাৰ প্ৰয়াস কৰিছিল, তেতিয়া আঁহজৰত (ছাঃ)য়ে কৈছিল যে নিজৰ চৰ্দাৰ বা আমিৰক কোৱা যে তেওঁ সন্মুখলৈ আহি ৰায় প্ৰদান কৰে যেন; কাৰণ তোমাৰ কথাত ইমান গুৰুত্ব নাই। সেয়া এক ধৰণৰ নীতি আছিল।

দ্বিতীয় পদ্ধতি এয়া আছিল যে যিসকল লোকক আঁহজৰত (ছাঃ)য়ে পৰামৰ্শ দিয়াৰ যোগ্য বুলি ভাৱিছিল, সিহঁতক মাতিছিল, সাধাৰণতে সকলোকে মাতি দিয়া নাছিল; তাৰ পাছত এই সীমিত সংখ্যক মানুহৰ সৈতে মজলিছৰ পৰা পৰামৰ্শ লোৱা হৈছিল।

তৃতীয় পদ্ধতিটো এয়া আছিল যে য'ত তেখেত (ছাঃ)য়ে বুজিব পাৰিছিল যে দুজন মানুহো একত্ৰিত হ'ব নালাগে তাত তেখেত (ছাঃ)য়ে পৃথক পৃথক ভাৱে মাতি আনি পৰামৰ্শ লৈছিল; প্ৰথমে এজনক মাতি পৰামৰ্শ লৈছিল তাৰ পিছত আনজনক মাতি পৰামৰ্শ লৈছিল। (মাখুজ আজ খিতাবাত শ্বুৰা জিলদ আউৱাল পৃঃ৬-৭,মজলিছে মুশ্বাৰিৰাত ১৯২২ চন)

তেখেত (ছাঃ)ৰ ওপৰত উল্লেখিত তিনিটা পদ্ধতি আছিল। খুলফায়ে ৰাশিদিন সকলেও এই পদ্ধতিত পৰামৰ্শ লৈছিল; যিদৰে বৰ্ণনা কৰা হৈছে যে তেখেত (ছাঃ)য়ে কৈছে, আল্লাহ আৰু তাৰ ৰছুল এই পৰামৰ্শ লোৱাৰ পৰা স্বতন্ত্ৰ আছিল ; তথাপি ইতিহাসৰ পৰা জানিব

পৰা যায় যে তেখেত (ছাঃ)য়ে বিভিন্ন সময়ত পৰামৰ্শ লৈছিল, বৰং তেখেত (ছাঃ)য়ে চাহাবা সকলৰ পৰা অধিক পৰিমাণে পৰামৰ্শ লৈছিল। হজৰত আবু হুৰায়ৰা (ৰাঃ)য়ে বয়ান কৰিছে যে ৰছুলে কৰিম (ছাঃ)তকৈ অধিক চাহাবা সকলৰ পৰা পৰামৰ্শ লোৱা ব্যক্তি অইন কোনোবাক দেখা নাই। (ছুনন তিৰমিজি আবওৱাবুল জিহাদ বাব মা জা ফিল মাশুৰা, হাদীছ ১৭১৪)

এই সকলোবোৰ এই কাৰণেই আছিল যে যিদৰে মই কৈছো যে আল্লাহ তা'লাৰ নবী যাক পোনপটীয়াকৈ খোদা তা'লাই পথপ্ৰদৰ্শন কৰিছে, তেখেতে পৰামৰ্শ বিচাৰিছিল; সেয়ে তোমালোকে অধিক পৰিমাণে পৰামৰ্শৰ গুৰুত্ব বুজি পোৱা উচিত। তেখেত (ছাঃ)ৰ পৰামৰ্শৰ এটা ঘটনা বৰ্ণনা কৰো, এটা বৰ্ণনাত পোৱা যায় যে হজৰত মাআজ বিন জাবল (ৰাঃ)য়ে কৈছে যে ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া মোক ইয়ামনলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল, তেতিয়া হুজুৰ (ছাঃ)য়ে বহু সংখ্যক চাহাবা সকলৰ পৰা পৰামৰ্শ বিচাৰিছিল। সেই চাহাবা সকলৰ মাজত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ), হজৰত উমৰ (ৰাঃ), হজৰত উছমান (ৰাঃ),তালহা (ৰাঃ),জুবেৰ (ৰাঃ) ইয়াৰ বাহিৰেও আৰু অনেক চাহাবা সকল আছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে কয় যে হুজুৰ (ছাঃ)যদি আমাৰ পৰা পৰামৰ্শ নিবিচাৰিলেহেঁতেন আমি একোৱে নক'লহেঁতেন। তেখেত (ছাঃ)য়ে কয় যে যি বিষয় সন্দৰ্ভত মোলৈ প্ৰত্যাদিষ্ট নহয় সেই বিষয় সন্দৰ্ভত মই তোমালোকৰ নিচিনাই হওঁ।

মাআজ (ৰাঃ)য়ে কয় যে হুজুৰ (ছাঃ)ৰ এই মত যে মোক পৰামৰ্শ দিয়া; সেই অনুসৰি আমাৰ প্ৰত্যেকেই তেখেত (ছাঃ)ক মতামত প্ৰদান কৰিছিল। তাৰ পিছত হুজুৰ (ছাঃ)য়ে কয় যে মাআজ তুমি কোৱা! তোমাৰ মতামত কি? তেতিয়া মই বয়ান কৰিলোঁ যে মোৰ

মতামত সেইটোৱে যিটো হজৰত আবু বক্কৰ (ৰাঃ)য়ে প্ৰদান কৰিছে। (আলমাজুমুল কাবিৰুল তিব্ৰানী খণ্ড ২০,পৃঃ ৬৭, হাদীছ ১২৪ মতবুৰা দাৰ আহয়িয়াত তাৰাছুল আৰবি বেৰুত)

তেখেত (ছাঃ)য়ে হজৰত মাআজকও সুধিছিল, গতিকে যি ক্ষেত্ৰত তেখেত (ছাঃ)ৰ কোমলতা, বিনম্ৰতা আৰু পৰামৰ্শৰ গুৰুত্ব প্ৰকাশ পায, এনে ক্ষেত্ৰত তেখেত (ছাঃ) আমাৰ বাবে আদৰ্শবান ব্যক্তি হয়; গতিকে আমি পৰামৰ্শ দিয়াৰ ক্ষেত্ৰত কিমান গুৰুত্ব দিয়া উচিত ; আৰু চাহাবা সকলৰ আদৰ্শই আমাক এয়াই কয় যে যেতিয়া তেখেত (ছাঃ)ৰ নিৰ্দেশ মৰ্মে চাহাবা সকলে পৰামৰ্শ দিছিল,সেয়া নিজৰ দক্ষতা আৰু অভিজ্ঞতাৰ ভিত্তিত খোদাৰ প্ৰতি হৃদয়ত ভয় সৃষ্টি হৈ পৰামৰ্শ দিছিল।

আকৌ মদিনালৈ প্ৰব্ৰজন কৰাৰ পিছত যেতিয়া মক্কাৰ কাফিৰ সকলে মুছলমান সকলক শান্তি আৰু সুৰক্ষা ধ্বংস কৰিবলৈ চেষ্টা কৰিছিল তেতিয়া আঁহজৰত (ছাঃ)য়ে এই সমস্য সমাধানৰ বাবে চাহাবা সকলৰ পৰা পৰামৰ্শ লৈছিল আৰু আনছাৰৰ চৰ্দাৰ সকলৰ পৰাও পৰামৰ্শ বিচাৰিছিল, আৰু মুহাজিৰিণ সকলৰ চৰ্দাৰৰ পৰাও পৰামৰ্শ লৈছিল। মুহাজিৰিণ আৰু আনছাৰ সকলৰ চৰ্দাৰৰ পৰামৰ্শ আৰু সন্মতি ক্ৰমে তেখেত (ছাঃ)য়ে বদৰৰ ফালে যাত্ৰা কৰে। আনছাৰৰ চৰ্দাৰ সকলে এই পৰামৰ্শৰ সময়ত যি নিষ্ঠা প্ৰদৰ্শন কৰিছিল আৰু অংগীকাৰ কৰিছিল, সেয়া চাই আঁহজৰত (ছাঃ)য়ে বৰ আনন্দিত হৈছিল। (মাখুজ আজ চিৰত খাতামান নাবিঈন (ছাঃ) আজ চাহাবজাদা হজৰত মিৰ্জা বশিৰ আহমদ চাহাব এম,এ পৃঃ ৩৫৪-৩৫৫)

এই কাৰণে পৰামৰ্শ কেৱল পৰামৰ্শ পৰ্যন্ত সীমিত নাথাকে, বৰঞ্চ পৰামৰ্শ দিয়া ব্যক্তি সকলৰ আচৰণ মনোভাৱ আৰু সেই পৰামৰ্শ

সৰ্বপ্ৰথমে নিজৰ ফালৰ পৰা কাৰ্য্যকৰী ভূমিকা গ্ৰহণ কৰাৰ অংগীকাৰ কৰা জৰুৰী যদি কৰ্ম কৰাৰ অংগীকাৰ নাই তেন্তে বাস্তৱতে সেই কৰ্মত কোনো সততা নাই যি অলাভদায়ক। আমি দেখিবলৈ পাইছো যে বদৰৰ ময়দানত সহানুভূতি আৰু নিষ্ঠা কৰ্ম ক্ষেত্ৰৰ দ্বাৰা প্ৰকাশ পাইছিল। সেই চাহাবা সকলে পৰামৰ্শ দিয়াৰ পিছত নিজৰ প্ৰাণৰ বাজি লগাই দিছিল। গতিকে যতে আমাৰ শ্বুৰাৰ সদস্যবৃন্দ সকল আছে, সিহঁতে সদায় মনত ৰখা উচিত যে যেতিয়া সিহঁতে পৰামৰ্শ দিয়ে, তেতিয়া পোনপ্ৰথমে সিহঁতে এই কথাৰ প্ৰতি প্ৰস্তুতি থাকিব যে এই পৰামৰ্শ সমূহ অনুমোদিত হোৱাৰ পিছত আমি কৰ্ম ক্ষেত্ৰলৈ পৰিণত কৰিম বা যুগৰ খলিফাই যি সিদ্ধান্ত গ্ৰহণ কৰে পোনপ্ৰথমে সেয়া আমি কাৰ্য ক্ষেত্ৰলৈ বাস্তবায়ন কৰিম।

যেতিয়া এয়া আমাৰ কৰ্ম ক্ষেত্ৰলৈ বাস্তবায়ন হ'ব, তেতিয়া জামাতৰ সদস্য বৃন্দ সকলেও নিজৰ কাৰ্য ক্ষেত্ৰলৈ বাস্তবায়ন কৰিব আৰু প্ৰত্যেক ধৰণৰ কোৰবাণী দিয়াৰ বাবে নিজকে উত্থাপন কৰিব। সেয়ে শ্বুৰাৰ সদস্য সকলে এই কথা সদায় স্মৰণ ৰখা উচিত। প্ৰত্যেক জন আহমদীয়ে খলিফাৰ আনুগত্যৰ অংগীকাৰ কৰিছে সেই কাৰণে পদবীদাৰ আৰু শ্বুৰাৰ সদস্য সকলে উৎকৃষ্ট আদৰ্শবান হোৱা উচিত ; কাৰণ আপোনাক সেই প্ৰতিষ্ঠানৰ সদস্য হিচাপে নিৰ্বাচিত কৰা হৈছে, যি খিলাফতৰ ব্যৱস্থা আৰু জামাতৰ ব্যৱস্থাৰ সহায়ক প্ৰতিষ্ঠান হয়।

গতিকে স্মৰণ ৰখা উচিত য'ত খলিফাক এই আদেশ দিয়া হৈছে যে আঁহজৰত (ছাঃ)ৰ ছুন্নতৰ ওপৰত পৰিচালিত হৈ ধৰ্মৰ গুৰুত্বপূৰ্ণ কামবোৰৰ বাবে উম্মতৰ লোক সকলৰ পৰা পৰামৰ্শ লোৱা উচিত। সেইদৰে কোমল হৃদয় আৰু দোৱাৰ সৈতে কাৰ্যকৰী কৰাৰ আদেশ আছে। সেই সকল লোক যিসকলে পৰামৰ্শ দিয়ে,

সিহঁতে পুণ্য নিয়তেৰে খোদাৰ প্ৰতি ভীতি হৈ পৰামৰ্শ দিয়া উচিত। গতিকে পৰামৰ্শ দিয়া ব্যক্তি সকলে সদায় মনত ৰাখিব যে সিহঁতৰ পৰামৰ্শ পুণ্য নিয়তৰ আৰু খোদাৰ প্ৰতি ভয় কৰি উচ্চ পৰ্যায়ৰ হোৱা উচিত। গতিকে এনে ক্ষেত্ৰত পৰামৰ্শ দিয়া ব্যক্তিসকলৰ ওপৰত এটা ডাঙৰ দায়িত্ব আছে যে তেওঁলোকে পৰ্যালোচনা কৰা উচিত যে তেওঁলোকৰ খোদাৰ প্ৰতি ভীতি কিমান উচ্চ মানৰ। হজৰত আলি (ৰাঃ)ৰ এটা ৰিৱায়ত বৰ্ণিত আছে যে তেখেত (ৰাঃ)য়ে কৈছে,

شَاوِرُوْا الْفُقَهَاءَ وَالْعَابِدِيْنَ

(কনজুল উমাল খণ্ড ৩, পৃঃ ৪১১, হাদীছ ৭১৯১, মতবুৰা মোয়িস্তাৰ ৰিছালাতা বেৰুত ১৯৮৫ চন)

অৰ্থাৎ বুজাৰ যোগ্যতা ৰাখোতা আৰু উপাসনা কৰা লোক সকলৰ পৰা পৰামৰ্শ বিচৰা, প্ৰত্যেকৰে পৰা নহয়। গতিকে এই মৰ্যাদা সেই সকল লোকৰ বাবে উপদেশ স্বৰূপ, যিসকলক শ্বুৰাৰ প্ৰতিনিধি হিচাপে বাছি লোৱা হয়। সিহঁতৰ মাজত এনেকুৱা লোক সকলক নিৰ্বাচিত কৰিব যিসকলৰ ৰায় যোগ্যতাপূৰ্ণ, ধাৰ্মিক ক্ষেত্ৰত অধিক জ্ঞান ৰাখোতা, আৰু উপাসনাৰ মৰ্যাদা উন্নত।

য'তেই এই মানদণ্ডৰ ভিত্তিত প্ৰতিনিধি নিৰ্বাচিত কৰা হয়; তাতে মই দেখিছো প্ৰতিনিধি সকলৰ মতামত সমূহত এক সুস্পষ্ট পাৰ্থক্য দেখিবলৈ পোৱা যায়। এই দায়িত্ব সেই সকল প্ৰতিনিধিৰ বাবেও যিসকলে ভাল ধাৰণা কৰি জামাতৰ সদস্য সকলৰ মাজৰ পৰা কোনোবাক শ্বুৰাৰ প্ৰতিনিধি হিচাপে বাছি লয় ; সেই প্ৰতিনিধি জন জামাতৰ ভাল ধাৰণা অনুযায়ী যেন থিয় হয়। এদিন বা কেইবা সপ্তাহতে কোনোবাই উৰ্ধ পৰ্যায় আৰু ধৰ্মৰ গভীৰতা সন্দৰ্ভত অৱগত হ'ব নোৱাৰে। তাকওৱাৰ ওপৰত প্ৰতিষ্ঠিত হৈ নিজৰ মতামত

প্ৰত্যেক ধৰণৰ স্বাৰ্থৰ পৰা আঁতৰ হৈ প্ৰদান কৰিব। আল্লাহ্ তা'লাৰ চৰণত অৱনত হৈ সেইজনাৰ পৰা সহায় বিচাৰি আৰু দোৱাৰ সৈতে শুৰাৰ প্ৰতিনিধি সকলে নিজৰ মতামত দিয়া উচিত। কোনোবাৰ নিৰ্ধাৰিত ভাষণ শুনি প্ৰভাম্বিত হৈ,কোনোবাৰ সৈতে সম্পৰ্ক আছে বুলি ধাৰণা কৰি নিজৰ মতামত অইনৰ মতামতৰ সৈতে মিলাই দিয়া উচিত নহয়; কোনোবাৰ প্ৰতি ভয় কৰি বা কোনোবাৰ সন্মানৰ কথা ভাৰি নিজৰ মতামত পৰিৱৰ্তন কৰা উচিত নহয়, বৰং তাকওৱা (খোদাৰ প্ৰতি ভয়) অৱলম্বন কৰি জামাতৰ স্বাৰ্থক সকলো কথাৰ ওপৰত প্ৰাধান্য দি মতামত দিলেহে প্ৰকৃতাৰ্থে তেওঁ নিজৰ প্ৰতিনিধিৰ অধিকাৰ পালনকাৰী হ'ব পাৰিব।

সৰ্বদা মনত ৰখা উচিত যে আল্লাহ্ তা'লা আমাৰ হৃদয়ৰ অৱস্থা সমূহ জানে আৰু আমাৰ প্ৰত্যেক কাৰুকাৰ্যৰ প্ৰতি দৃষ্টিগোচৰ হৈ আছে। যদি আমি সেইজনাৰ সন্তুষ্টি অৰ্জনাৰ্থে কাম কৰা নাই তেন্তে আল্লাহ তা'লাৰ ক্ৰোধৰ অধীন হৈ পৰিম। গতিকে য'ত শুৰা হৈ গৈছে তাতে শুৰাৰ সদস্য সকলে নিজৰ অধিকাৰ আৰু নিজৰ আধ্যাত্মিক উন্নতি, লগতে কৰ্ম ক্ষেত্ৰৰ ফালে দৃষ্টি নিক্ষেপ কৰি জীৱন আতিবাহিত কৰাৰ অংগীকাৰ কৰিব ; আৰু যি সিদ্ধান্ত হৈছে বা হ'ব তাৰ ওপৰত তাকওৱা অৱলম্বন কৰি কাৰ্যক্ষেত্ৰলৈ পৰিণত কৰাৰ প্ৰয়াস কৰিব।

যেতিয়া আমাৰ মাজত এনে অৱস্থা সৃষ্টি হ'ব তেতিয়া আমি আল্লাহ্ তা'লাৰ কৃপাৰ অংশীদাৰ হ'ব পাৰিম ; আৰু আমাৰ সিদ্ধান্তত কল্যাণ বৰ্ষিত হ'ব, নতুবা আমি একত্ৰিত হোৱা আৰু নিজৰ মতামত দিয়াৰ বাবে প্ৰবল বক্তব্য প্ৰদান কৰা; সেই পাৰ্থিৱ সংসদ ভৱনৰ নিচিনা হ'ব য'ত তাকওৱা শূন্য। কেতিয়াবা এনে সিদ্ধান্ত গ্ৰহণ কৰা হয় যি আচাৰ-আচৰণৰ ক্ষেত্ৰত প্ৰভাম্বিত হয় আৰু আল্লাহ

তা'লাৰ আদেশৰ পৰিপন্থী হয়; নিজৰ দলৰ উদ্দেশ্য সন্মুখত ৰখা হয়। কেতিয়াবা অতি সোনকালে এনে ভুল সিদ্ধান্তত উপনীত হয় যিয়ে শান্তিক বিনষ্ট কৰি পেলায় ; আৰু কেতিয়াবা পলমকৈ তাৰ ফলাফল ওলায়, কিন্তু তাতে কল্যাণ নিহিত নাথাকে। এনে প্ৰস্তাৰ যি আল্লাহ তা'লাৰ আইন বিৰোধী সেই প্ৰস্তাৱ শেষত গৈ জাতি সমূহক ধ্বংসৰ কাৰণ হৈ পৰে।

গতিকে পৃথিৱীৰ লোকসকলৰ অৱস্থাৰ ফালে দৃষ্টি নিক্ষেপ কৰি নিজৰ অৱস্থা উত্তম কৰাৰ ফালে মনোযোগ আকৰ্ষণ হোৱা উচিত।

যিদৰে মই কৈছো শ্বুৰাৰ সদস্য সকলৰ পৰামৰ্শ সমূহ যুগৰ খলিফাৰ সন্মুখত উত্থাপন কৰা হয় আৰু যুগৰ খলিফাৰ আদেশ মতেই শ্বুৰাৰ বাবে আহ্বান কৰা হয়।

গতিকে স্মৰণ ৰখা উচিত যে মজিলছে শ্বুৰা খিলাফতৰ সহায়ক প্ৰতিষ্ঠান হয় সেই কাৰণে জামাত আহমদীয়াত খিলাফতৰ পিছত ইয়াৰ গুৰুত্ব অনেক। প্ৰত্যেক জন সদস্য যিসকলে শ্বুৰাৰ বাবে নিৰ্বাচিত হয় তেওঁ এবছৰৰ বাবে সদস্য হয়। তেওঁ শ্বুৰাৰ গুৰুত্বৰ কথা সদায় সন্মুখত ৰখা উচিত। শ্বুৰাৰ এজেণ্ডা আৰু পৰামৰ্শৰ মাধ্যমে বিভিন্ন দেশৰ বিষয়াৱলী সম্বন্ধে যুগৰ খলিফাই অৱগত হয়; আৰু যি প্ৰস্তাৱ উত্থাপন হয়, সেই অনুযায়ী বিষয়াৱলীৰ সমাধানৰ কাৰ্যসূচী সন্মুখলৈ আহে। কেতিয়াবা কিছু কথা কোনো সমস্যাৰ সমাধানৰ ক্ষেত্ৰত বিস্তাৰিত ভাৱে ব্যাখ্যা কৰা নহয় বা শ্বুৰাৰ সদস্য সকলৰ সন্মুখলৈ নাহে তেতিয়া খলিফাই সেই কথা সমূহ কাৰ্য-বিধিত অন্তৰ্ভুক্ত কৰি লয় ; আৰু কেতিয়াবা মই এই পদ্ধতি সমূহ অৱলম্বন কৰো।

প্ৰত্যেক জন শ্বুৰাৰ সদস্যই এই কথা ভালদৰে অৱগত হোৱা

উচিত যে শ্বুৰাৰ এক বিশেষ গুৰুত্ব আছে। এই গুৰুত্ব কেৱল তিনি দিনৰ বাবে নহয়, বৰং গোটেই বছৰৰ বাবে হয়। যি কাৰ্য-বিধি প্ৰস্তুত কৰা হয় তাৰ ওপৰত কাৰ্যকৰী কৰোৱাৰ বাবে ব্যৱস্থাপনাৰ সৈতে প্ৰত্যেকজন শ্বুৰাৰ সদস্যই সহায় সহযোগীতা কৰাৰ বাবে প্ৰয়াস কৰা উচিত। এয়া এজন সদস্যৰ বাবে অতি আৱশ্যকৰণীয়। যেতিয়া এনেকুৱা হ'ব তেতিয়া জামাতৰ উন্নয়নৰ পৰিকল্পনা সমূহ সঠিক পথত পৰিচালিত হ'ব পাৰিব ; আৰু ভালদৰে তাৰ ওপৰত কাৰ্যকৰী হ'ব পাৰিব আৰু হিদায়তৰ যি মিচন হজৰত মছীহ্ মাওউদ (আঃ)ৰ অধীনত আমি তাৰ সহায়ক হ'ব পাৰিম। এনে যদি নহয় তেন্তে শ্বুৰাৰ সদস্য হোৱা নিষ্ফল।

ইয়াত মই এয়াও উল্লেখ কৰিব বিচাৰো যে পৃথিৱীৰ প্ৰত্যেক খন দেশতেই শ্বুৰা সাধাৰণতে সেই দেশৰ আমিৰৰ সভাপতিত্বত অনুষ্ঠিত কৰা হয়। কেতিয়াবা মতামত দিয়া সকলে উৎফুল্লিত হৈ এনে শব্দ প্ৰয়োগ কৰে যি শ্বুৰাৰ পৱিত্ৰতাৰ পৰিপন্থী। প্ৰথম কথা এয়া যে যেতিয়াই শ্বুৰাৰ সদস্য সকলে ৰায় প্ৰদান কৰিব সিহঁতে উৎসাহী ভাষণৰ পৰিৱৰ্তে, সচেতনতা অবিহনে ভাষণ দিয়াৰ সলনি, আৱেগিক ভাষণ দিয়াৰ পৰিৱৰ্তে তেওঁলোকে উপযুক্ত শব্দ প্ৰয়োগ কৰি মতামত দিয়া উচিত।

কেতিয়াবা মতামত প্ৰদান কৰোঁতা সকলে এনে কথা কৈ দিয়ে যাৰ ফলত কমিটিৰ সদস্য সকলে বা আমিৰ জামাত যাৰ সভাপতিত্বত শ্বুৰা হৈ আছে তেওঁ এয়া ভাৱে মতামত প্ৰদান কৰোঁতা জন প্ৰত্যক্ষ বা পৰোক্ষ বা পোনপটীয়াকৈ আমাৰ বিৰুদ্ধে কথা পাতিছে ; তাৰ পিছত সভাৰ সভাপতিয়ে কঠোৰ শব্দ প্ৰয়োগ কৰি তেওঁক বাধা প্ৰদান কৰে আৰু ভৎৰ্সনা কৰে। আমিৰ সকলেও সাহস দেখুৱা উচিত। উত্তম ধাৰণা ৰাখিব লাগিব যে বক্তাই যি কৈছে সেয়া

সংগঠনৰ হিতৰ বাবে আৰু বেদনাৰে কৈ আছে।

যদি কঠোৰ শব্দ প্ৰয়োগ কৰিছে বা এনে কোনো শব্দ প্ৰয়োগ হৈছে যি শ্বুৰাৰ পৱিত্ৰতাৰ পৰিপন্থী, তেনে ক্ষেত্ৰত বিনম্ৰতাৰ সৈতে নিষেধ কৰা উচিত। এনেকুৰা আচৰণ গ্ৰহণ নকৰিব যাতে এনে সন্দেহ হয় যে সভাৰ সভাপতিয়ে বিষয়টো ব্যক্তিগত সন্মানৰ বিষয় বুলি লৈছে।

বিশেষকৈ বাজেটৰ ক্ষেত্ৰত যেতিয়া তৰ্ক-বিতৰ্ক কৰা হয় ; অধিক আৱেগ প্ৰকাশ কৰা হয় আৰু কিছু সংৰক্ষণৰ কথাও প্ৰকাশ কৰা হয়। এনে পৰিস্থিতিত সংশ্লিষ্ট সচিব, সচিব ৰাজহ আৰু মজলিছৰ সভাপতিয়ে ধৈৰ্য সহকাৰে শুনিব লাগে আৰু ইয়াৰ প্ৰতি সঁহাৰি দিব লাগে আৰু কেনে ধৰণৰ বাজেট তৈয়াৰ কৰা হয়, বাজেট কেনেদৰে আহি আছে, ইয়াৰ ব্যয় কেনেদৰে হৈ আছে সেয়া সন্তুষ্ট কৰিব লাগে। বক্তাই জামাতৰ স্বাৰ্থৰ কথা মনত ৰাখি কথা কৈ আছে, সেয়েহে ই বিদ্বেষপূৰ্ণ হ'ব নালাগে। এইদৰে কাৰ্যসূচীৰ আন কিছুমান প্ৰস্তাৱ আছে য'ত কেতিয়াবা প্ৰশাসন আৰু প্ৰতিনিধি সকলেও অপ্ৰয়োজনীয় বিতৰ্কত আৱদ্ধ হৈ পৰে বা প্ৰশাসনৰ প্ৰতি ভয় থকাৰ ফলত একেবাৰে নীৰৱ হৈ পৰে। এনেকুৰা লোক সকলে নিজৰ বিশ্বস্ততাৰ অধিকাৰ পালন নকৰে। গতিকে স্মৰণ ৰাখিব যে লোক সকলে এই কাৰণেই কোনোবাক প্ৰতিনিধি হিচাপে বাছি লৈছে যাতে প্ৰতিনিধিয়ে বিশ্বস্ততাৰ অধিকাৰ পালন কৰে।

সেয়ে ব্যক্তিগত বিষয়ৰ প্ৰশ্ন থাকিব নালাগে, কোনো ধৰণৰ ভয় থাকিব নালাগে। সদায় বুজিব লাগিব যে লোক সকলে আমাক আল্লাহ তা'লাৰ আদেশ অনুসৰি নিৰ্বাচন কৰিছে যে

تُؤَدُّوا الْاَمٰنٰتِ اِلٰۤى اَهْلِهَا (4:59)

যিসকল দায়িত্ব গ্ৰহণ কৰিবৰ উপযুক্ত সেই সকলক তোমালোকে

দায়িত্বৰ ভাৰ ন্যস্ত কৰিবা। (ছুৰা নিছা আয়াত ৫৯)

যুগৰ খলিফাই এইটো বুজে যে যেতিয়া মানুহে পুণ্য নিয়তেৰে আল্লাহ তা'লাৰ আদেশ অনুসৰি প্ৰতিনিধি বাছনি কৰিছে, সেই অনুসৰি নিজৰ বিশ্বস্ততাৰ অধিকাৰ পালন কৰি থাকিব। প্ৰতিনিধিয়ে যদি এই অধিকাৰ শুৰাৰ সময়ত আৰু পিছতও পালন নকৰে তেওঁ কেৱল জামাতৰ সদস্য সকলৰ সৈতে বিশ্বাসঘাতকতা কৰাই নাই, বৰং খলিফাৰ সৈতেও বিশ্বস্ততাৰ অধিকাৰ পালন নকৰি বিশ্বাসঘাতকতাত নিপতিত হৈ আছে ; কিন্তু ইয়াত আনটো পৰিস্থিতিও হ'ব পাৰে যে কিছুমান লোক সকলে প্ৰতিনিধি বাছি লওঁতে খোদাৰ প্ৰতি ভয় নকৰি প্ৰতিনিধি বাছনি কৰে। আত্মীয়-স্বজনৰ সম্পৰ্কৰ কথা ভাৱি বা বন্ধুত্বৰ কথা ভাৱি প্ৰতিনিধি নিৰ্বাচন কৰে।

অৰ্থাৎ প্ৰতিনিধি বাছনি কৰোঁতা সকলেও নিজৰ এই কাৰ্যত পাপী কাৰণ সিহঁতে ভুল কাম কৰিছে। যদি সিহঁতে নিজৰ অধিকাৰ সাব্যস্ত কৰা নাই তেন্তে ক্ষমা বিচাৰিব লাগে। যিসকল প্ৰতিনিধি অৰ্থাৎ সিহঁতৰ মাজত পদবীদাৰ সকলও অন্তৰ্ভুক্ত, সিহঁতক বাছনি কৰি লোৱা হৈছে ; যদি সিহঁতৰ মাজত সেই আধ্যাত্মিকতাৰ মানদণ্ড নাথাকে যিদৰে হ'ব লাগিছিল; তেতিয়া ক্ষমা বিচাৰি নিজৰ অৱস্থাৰ পৰিৱৰ্তনৰ অংগীকাৰ কৰি তাকওৱাৰ ওপৰত পৰিচালিত হোৱাৰ প্ৰয়াস কৰি নিজৰ বিশ্বস্ততাৰ অধিকাৰ পালন কৰাৰ বাবে চেষ্টা কৰা উচিত। যেতিয়া এনে প্ৰচেষ্টা থাকিব তেতিয়া আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰিব পাৰিব আৰু হজৰত মছীহ মাওউদ (আঃ)ৰ মিচনৰ সহযোগী হ'ব পাৰিব, লগতে নিজৰ চাৰিত্ৰিক আৰু আধ্যাত্মিক অৱস্থাও উন্নতি হ'ব।

যিদৰে মই কৈছো যে প্ৰতিনিধি এবছৰৰ বাবে হয়; সেই সময়

কালত ব্যৱস্থাপনাৰ সৈতে সহায় সহযোগিতা কৰিব লাগিব, সিদ্ধান্ত সমূহৰ ওপৰত নিজে পৰিচালিত হোৱা আৰু জামাতৰ সদস্য সকলক পৰিচালিত কৰোৱাব লাগিব। এই কথা নিশ্চিত কৰিবলৈ সদায় পৰ্যবেক্ষণ কৰি থাকিব লাগিব যে এই সিদ্ধান্ত সমূহ জামাতে কাৰ্যকৰী কৰি আছে নে নাই বা যুগৰ খলিফাই যি প্ৰস্তাৱ অনুমোদন কৰিছে সেই অনুসৰি কাৰ্যকৰী হৈ আছে নে নাই?

এইদৰে আপোনালোকে যুগৰ খলিফাৰ সহকাৰী হ'ব লাগিব। এয়াও দেখিবলৈ পোৱা যায় যে জামাতৰ বিষয়াসকলে সিদ্ধান্ত সমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত অলসতাৰ চিকাৰত আৱদ্ধ হয় আৰু যি সিদ্ধান্ত সমূহ অনুমোদিত হয়, তাৰ ওপৰত পৰিচালিত নহয়। এনে ক্ষেত্ৰত প্ৰতিনিধি সকলে কেৱল জামাতৰ সদস্য সকলক মনোযোগ আকৰ্ষণ কৰোৱাটোৱে যথেষ্ট নহ'ব, বৰং পদবীদাৰ সকলকো সিহঁতৰ দায়িত্বৰ ফালে মনোযোগ আকৰ্ষণ কৰোৱাব। ইয়াৰ পিছতও যদি মনোযোগ সৃষ্টি নহয়, আৰু প্ৰস্তাৱনা সমূহৰ ওপৰত সেইদৰে কাৰ্যকৰী নহয় যিদৰে হ'ব লাগিছিল। সেয়া কেন্দ্ৰলৈ লিখিব। বহুত পদবীদাৰ সকলেও শুৰাৰ সদস্য হয় ; সিহঁতৰ কাম কেৱল এয়া নহয় যে নিজৰ বিভাগৰ কামবোৰ কৰিব, বৰং শুৰাৰ মতামত সমূহ যুগৰ খলিফাই যি সিদ্ধান্ত অনুমোদন কৰিছে তাৰ ওপৰত নিজে কাৰ্যকৰী কৰা, লগতে বিনম্ৰতাৰ সৈতে অইনকও কাৰ্যকৰী কৰোৱা উচিত। সেয়া নিজৰে বিভাগ হওঁক বা আন কোনো বিভাগৰ সৈতে সম্পৰ্কিত নহওঁক কিয়। সম্পৰ্কিত পদবীদাৰ আৰু আমিৰ সকলে জামাতৰ লোক সকলক মনোযোগ আকৰ্ষণ কৰোৱা উচিত আৰু ৰায় সমূহ মজলিছে আমলাৰ বৈঠকত উত্থাপন কৰা উচিত ; যদি এনে কৰা নাই তেন্তে পদবীদাৰ আৰু প্ৰতিনিধি সকলে নিজৰ বিশ্বস্ততাৰ অধিকাৰ পালন কৰা নাই। পাৰ্থিৱ জগতত কোনো অজুহাত দেখুৱাই

বাচি যাব পাৰে, কিন্তু মনত ৰাখিব আল্লাহৰ তা'লাৰ ওচৰত কোনো কথা গোপন নাথাকে, সেইজনাই বিশ্বস্ততা সুৰক্ষাৰ বিষয়ে সুধিব, গতিকে এয়া বৰ চিন্তাৰ বিষয়। এই কথাৰ ওপৰত আমি গৌৰৱ কৰা উচিত নহয় যে আমি শ্বুৰাৰ প্ৰতিনিধি, বৰং নিজৰ দায়িত্ব পালন কৰাৰ প্ৰতি প্ৰত্যেকে চিন্তা কৰা উচিত।

যিদৰে মই কৈছো, যদি প্ৰতিনিধি সকলে জামাতৰ পদবীদাৰ সকলক মনোযোগ আকৰ্ষণ কৰা সত্ত্বেও সিহঁতে অনুমোদিত সিদ্ধান্ত সমূহৰ ওপৰত কাৰ্যকৰী নহয়, তেতিয়া কেন্দ্ৰলৈ অৱগত কৰোৱাব। কিছুমান লোক সকলে এতিয়াও এই কথা অনুসৰণ কৰে, এনে নহয় যে এই নিয়মৰ ওপৰত কাৰ্যকৰী নহয়। কিছুমান লোক সকলে ইয়াৰ ওপৰত পৰিচালিত হৈ আছে কিন্তু কিছুমান পদবীদাৰ সকলে অনুসৰণ নকৰে, কেন্দ্ৰলৈ অৱগত কৰায় কিন্তু সাধাৰণতে এই কথা তেতিয়া সৃষ্টি হয় যেতিয়া কোনো পদাধিকাৰীৰ সৈতে ব্যক্তিগত মনোমালিন্যৰ বাবে মতবিৰোধ থাকে। এই পদ্ধতি তাকওৱাৰ পৰিপন্থী। খোদাৰ প্ৰতি ভয় ৰাখি যদি প্ৰত্যেক জন প্ৰতিনিধি আৰু পদবীদাৰ সকলে শ্বুৰাৰ অনুমোদিত ৰায় সমূহ কাৰ্যক্ষেত্ৰলৈ পৰিণত কৰে আৰু কৰোৱাৰ প্ৰয়াস কৰে তেতিয়া এয়া কেতিয়াও প্ৰয়োজনবোধ নহ'ব যে সেই ৰায় আকৌ অহা বছৰ বা দুই তিনি বছৰ পিছত উত্থাপন হ'ব।

দ্বিতীয়বাৰ ৰায় সমূহ উত্থাপন হোৱাৰ অৰ্থ এয়া যে যিদৰে সেই ৰায় সমূহৰ ওপৰত সম্পূৰ্ণ ৰূপে কাৰ্যকৰী হোৱা উচিত সেইদৰে হোৱা নাই।

গতিকে জামাত আৰু পদবীদাৰ সকলে চিন্তা-ভাৱনা কৰা উচিত যে এয়া তাকওৱা আৰু বিশ্বস্ততাৰ অধিকাৰ পালন কৰা কৰ্ম নে? খলিফাৰ সৈতে সহানুভূতি আৰু আনুগত্য সম্পূৰ্ণ কৰা কৰ্ম

নে ? দেশত যিবোৰ জামাত আছে সিহঁতেও কেন্দ্ৰলৈ এনেকুৱা মতামত সমূহ সেই সময়ত প্ৰেৰণ কৰে যেতিয়া সিহঁতে জানিব পাৰে যে সেই মতামত সমূহৰ ওপৰত কাৰ্যকৰী কৰা হোৱা নাই। যদি সেই অনুমোদিত ৰায় সমূহ কাৰ্যক্ষেত্ৰলৈ পৰিচালিত হৈ আছে বা জামাতৰ প্ৰত্যেক প্ৰান্তত নিৰীক্ষণ হৈ আছে তেতিয়া এই ৰায় সমূহ দ্বিতীয়বাৰ কেন্দ্ৰৰ ফালৰ পৰা মধ্যস্থতাৰ সৈতে যুগৰ খলিফালৈ উত্থাপন কৰাৰ প্ৰয়োজনেই নপৰে। কাৰণ এয়া এবছৰ বা দুই বছৰ আগতে উত্থাপন হৈছিল সেই কাৰণে এই ৰায় সমূহ দ্বিতীয়বাৰ শ্বুৰাত উত্থাপন কৰাৰ মধ্যস্থতা কৰা নহয়। এই কথা লিখাৰ সময়ত দেশৰ কেন্দ্ৰীয় ব্যৱস্থাপনাই লজ্জিত হৈ লিখা উচিত যে আমি লজ্জিত যে এয়া কাৰ্য ক্ষেত্ৰলৈ আনিব পৰা নাই। এই বছৰ এই ৰায় সমূহ কাৰ্য ক্ষেত্ৰলৈ পৰিণত কৰিম। যদি কাৰ্য ক্ষেত্ৰলৈ পৰিণত কৰোঁৱাব নোৱাৰো তেন্তে আমি অপৰাধী ; আৰু আমি সেই সকল লোকৰ মাজত অন্তৰ্ভুক্ত যিসকলে নিজৰ বিশ্বস্ততাৰ অধিকাৰ সংৰক্ষণ নকৰে। এই লিখনি সিহঁতে লিখা উচিত। আকৌ লিখিব যে পৰিতাপৰ সৈতে আমি ক্ষমা বিচাৰো, আৰু এই ৰায় আমি এই বছৰ উত্থাপন কৰাৰ মধ্যস্থতা কৰো। যেতিয়া এনেদৰে কৰিব তেতিয়াই দায়িত্বৰ অনুতাপ সৃষ্টি হ'ব। কমপক্ষে এনে কৰাৰ ফলত ব্যৱস্থাপনা আৰু প্ৰতিনিধি সকলৰ অনুতাপ নিশ্চয় হ'ব যে সিহঁতে বিশাল আকাৰৰ কাৰ্যসূচী প্ৰস্তুত কৰি যুগৰ খলিফাৰ ওচৰত উত্থাপন কৰে যে আমি এয়া কৰিম, সেয়া কৰিম ; কিন্তু পিছত গৈ তাৰ ওপৰত কাৰ্যকৰী নহয়, এনে ক্ষেত্ৰত সিহঁত অপৰাধী আৰু যুগৰ খলিফাৰ আস্থাক আঘাত হানে। সেয়ে এই অৰ্থত য'ত সামুহিক দায়বদ্ধতা আছে, ব্যক্তিগত বিষয়া আৰু শ্বুৰাৰ প্ৰতিনিধি সকলে নিজৰে পৰ্যালোচনা কৰিব আৰু য'ত ঐক্যবদ্ধ ভাৱে পৰ্যালোচনা কৰা হ'ব তাতে ব্যক্তিগত

হিচাপেও পদবীদাৰ আৰু শ্বুৰাৰ প্ৰতিনিধি সকলেও নিজৰ পৰ্যালোচনা কৰিব, ক্ষমা বিচাৰিব। প্ৰস্তাৱ সমূহ কাৰ্য ক্ষেত্ৰলৈ পৰিণত নোহোৱাৰ অজুহাত জনাৰ বাবে চেষ্টা কৰিব। এয়াই জামাতী ব্যৱস্থাপনাক সঠিক পথত পৰিচালিত হোৱাৰ এক পন্থা। ভাষ্যই কোনো উপকাৰ সাধন কৰিব নোৱাৰে। দেশৰ মাজত এই পৰ্যালোচনা কৰা উচিত যে কিছুমান সক্ৰিয় জামাত যদি শ শতাংশ নহলেও সত্তৰ আশি শতাংশ প্ৰস্তাৱ সমূহৰ ওপৰত কাৰ্যকৰী হয় আৰু নিষ্ঠাৰ সৈতে সেই প্ৰস্তাৱ সমূহৰ ওপৰত কাৰ্যকৰী হয় ; আৰু কয় যে যুগৰ খলিফাৰ পৰা অনুমোদিত এই কাৰ্যসূচী আমি পাইছো আৰু যুগৰ খলিফাৰ আস্থাক আমি আঘাত দিব নিবিচাৰো। সিহঁতৰ মাজত এই উৎসা প্ৰকৃততে আছে নে ? এয়া অৱগত হোৱা উচিত; এই উৎসাই সিহঁতৰ মাজত বিপ্লৱ সৃষ্টি কৰিব পাৰিছে নে ? এনেকুৱা সক্ৰিয় জামাতৰ সৈতে দুৰ্বল জামাতৰ সদস্য সকলৰ মিটিং কৰিব; কেন্দ্ৰীয় পদবীদাৰ সকলৰ সৈতেও মিটিং কৰোৱাই সিহঁতৰ অভিজ্ঞতাৰ পৰা উপকৃত হ'ব।

যদি কোনো এটা সক্ৰিয় জামাতে আৰু নিজৰ চাৰিত্ৰিক আৰু আধ্যাত্মিক প্ৰোগ্ৰাম সমূহৰ পৰা সম্পূৰ্ণ ৰূপে উপকৃত হয় তেন্তে সেয়া দহটা জামাতলৈ শ্বেয়াৰ কৰাৰ ফলত সেই জামাত সমূহেও উপকৃত হ'ব পাৰিব। সেয়া তেতিয়াই হ'ব যেতিয়া কেন্দ্ৰৰ ব্যৱস্থাপনাৰ প্ৰত্যেক জন সচিব, বিষয়াবৰ্গ আৰু শ্বুৰাৰ প্ৰতিনিধি সকলে নিজৰ ভূমিকা বিশ্বস্ততাৰ সৈতে পালনকাৰী হ'ব।

কিছু জামাতৰ বা দেশৰ পৰ্যালোচনা কৰা হৈছে যে যোৱা তিনি বছৰত যি শ্বুৰাৰ প্ৰস্তাৱ সমূহ অনুমোদিত হৈছে তাৰ ওপৰত কিমান কাৰ্যকৰী হৈছে সেই সন্দৰ্ভত তিনি মাহিলি ৰিপোৰ্ট কেন্দ্ৰলৈ প্ৰেৰণ কৰা হয় ; তাতে এই অনুভৱ দেখিবলৈ পোৱা যায় যে আমি

কেৱল এয়া কৈ বহি যোৱা নাই যে প্ৰস্তাৱ সমূহ দুই বছৰ আগতে উত্থাপন হৈছিল; সেই কাৰণে এয়া দ্বিতীয়বাৰ উত্থাপন নহ'ব, অৰ্থাৎ কেন্দ্ৰই এই ৰিপোৰ্ট উত্থাপন কৰিব যে আমি সেই কাৰ্যসূচীৰ ওপৰত কাৰ্যকৰী কৰোৱাৰ ক্ষেত্ৰত ইমানখিনি কৰিবলৈ সক্ষম হৈছো আৰু অধিক কাৰ্যকৰী কৰোৱাৰ কাম অব্যাহত আছে। ইয়াৰ ফলত জামাত সমূহত অনুভৱৰ দায়িত্ববোধ বৃদ্ধি পাইছে। কেৱল কথাৰ দ্বাৰা আমি পৃথিৱীক বিজয় লাভ কৰিব নোৱাৰো তাৰ বাবে কৰ্ম জৰুৰী।

যʼত দৃঢ় পৰিকল্পনা জৰুৰী তাতে কৰ্মও জৰুৰী; নিজৰ উপাসনাৰ মানদণ্ড উন্নত কৰাৰ প্ৰয়োজন আছে।

যদি পদবীদাৰ আৰু শুৰাৰ প্ৰতিনিধি সকলে নিজৰ উপাসনাৰ মানদণ্ড উন্নত কৰাৰ বাবে গুৰুত্ব দিয়ে আৰু সদায় মজছিদত গৈ নিজৰ কৰ্মৰ আদৰ্শ প্ৰদৰ্শন কৰে, তেতিয়া মছজিদত প্ৰাৰ্থনাকাৰীৰ সংখ্যা তিনি চাৰি গুণ বৃদ্ধি পাব। গতিকে এই বিষয়ে পৰ্যালোচনা কৰা উচিত।

সেয়ে নিজৰ আচাৰ-আচৰণ,লোক সকলৰ সৈতে ভ্ৰাতৃত্ব বন্ধনৰ সম্পৰ্ক, লোক সকলৰ প্ৰতি দয়া হৃদয়ত স্থান দিয়া, লোক সকলৰ বাবে আৰু নিজৰ বাবে দোৱা কৰা, যেতিয়া যুগৰ খলিফাৰ আনুগত্যৰ মানদণ্ড উন্নত কৰাৰ ক্ষেত্ৰত প্ৰত্যেকজন পদবীদাৰ আৰু প্ৰত্যেক জন শুৰাৰ সদস্যৰ মাজত বিশেষ পাৰ্থক্য দেখিবলৈ পোৱা যাব, তেতিয়া আমি ঐক্যবদ্ধ হিচাপে জামাতৰ মাজত বিপ্লৱ দেখিবলৈ পাম।

এটা বিশাল দায়িত্ব আমাৰ ওপৰত অৰ্পিত হৈছে। হজৰত মছীহ মাওউদ (আঃ)ৰ প্ৰেৰণ হোৱাৰ উদ্দেশ্য আৰু তেখেতৰ অভিযান সম্পূৰ্ণ কৰা কোনো সাধাৰণ কাম নহয় ; পৃথিৱীৰ বুকুত ইছলামৰ সৌন্দৰ্যময় পয়গাম পোচাই পৃথিৱীক এক খোদাৰ উপাসনা কৰোৱাৰ

বাবে অবিৰত প্ৰচেষ্টাৰ আৱশ্যক।

পৃথিৱীৰ সমগ্ৰ দেশতেই শ্বুৰা এই কাৰণেই অনুষ্ঠিত কৰা হয়; যাতে আমি নিজৰ কৰ্মৰ সংশোধন কৰি, লগতে এক খোদাৰ পয়গাম পৌচাই জগতখনক এক উম্মত বনোৱাৰ বাবে তেখেত (ছাঃ)ৰ পতাকাৰ তলত অনাৰ বাবে কৌশল অৱলম্বন কৰি বিপ্লৱ সৃষ্টি কৰিব পাৰো।

সদায় মনত ৰাখিব যে এই সমূহ কাম সম্পাদন কৰিবলৈ খৰচৰ প্ৰয়োজন, বিত্তৰ প্ৰয়োজন, সেই কাৰণে বিত্তীয় বাজেট এনেদৰে প্ৰস্তুত কৰিব যে কম খৰচতে যাতে আমি অধিক উপকৃত সাধন হ'ব পাৰো। জামাতৰ অধিক সংখ্যক সদস্য দৰিদ্ৰ আৰু মধ্যম শ্ৰেণীৰ। সেই কাৰণে চান্দা সংগ্ৰহ কৰাৰ কৌশল উত্তম ৰূপে হোৱা উচিত, যাতে আমি কম খৰচতে বেছি বেছি ধৰ্ম বিস্তাৰ লাভ কৰিব পাৰো আৰু প্ৰচাৰৰ কাম কৰিব পাৰো। এই কাম আমি তেতিয়া কৰিব পাৰিম যেতিয়া আমি সত্যক বুজি পাই তাকওৱাৰ ওপৰত পৰিচালিত হৈ নিজৰ দায়িত্ব আৰু বিশ্বস্ততাৰ অধিকাৰ পালনকাৰী হ'ম ; আৰু ধৰ্মৰ সেৱা কেৱল আল্লাহৰ অনুগ্ৰহ বুলি ভাবি কৰিম। হজৰত মছীহ মাওউদ (আঃ)য়ে এঠাইত তাকওৱাৰ (খোদাৰ প্ৰতি ভীতি) ওপৰত পৰিচালিত হোৱাৰ বাবে উপদেশ দি এঠাইত কৈছে,

يَاَيُّهَا الَّذِيْنَ اٰمَنُوْٓا اِنْ تَتَّقُوا اللّٰهَ يَجْعَلْ لَّكُمْ فُرْقَانًا وَّيُكَفِّرْ عَنْكُمْ سَيِّاٰتِكُمْ

(8:30)

হে বিশ্বাসী সকল ! যদি তোমালোকে আল্লাহলৈ ভয় কৰা সেইজনাই তোমালোকক স্বতন্ত্ৰ নিদৰ্শন দান কৰিব আৰু তোমালোকৰ পৰা

তোমালোকৰ অমংগল সমূহ দূৰীভূত কৰিব। (ছুৰা আল আনফাল আয়াত ৩০)

(57:29) وَيَجْعَلْ لَّكُمْ نُوْرًا تَمْشُوْنَ بِهٖ

তোমালোকক এটা জ্যোতি প্ৰদান কৰিব, যাৰ ভিতৰত তোমালোকে থাকিবা। (ছুৰা আল হাদিদ আয়াত ২৯)

হে বিশ্বাসী সকল! যদি তোমালোকে তাকওৱা অৱলম্বন কৰা আৰু আল্লাহৰ সন্তুষ্টি অৰ্জনাৰ্থে দৃঢ়তাৰে প্ৰতিষ্ঠিত থাকা, তেতিয়া খোদা তা'লাই তোমাৰ আৰু অইনৰ মাজত পাৰ্থক্য সৃষ্টি কৰি দিব। সেই পাৰ্থক্য এয়া যে তোমালোকক এক জ্যোতি প্ৰদান কৰা হ'ব যাৰ জৰিয়তে তোমালোকে সঠিক পথত পৰিচালিত হ'বা। অৰ্থাৎ সেই পোহৰে তোমালোকৰ সমগ্ৰ কাজ-কৰ্ম, শক্তি আৰু ইন্দ্ৰীয় জ্ঞান বৃদ্ধি কৰিব। তোমালোকৰ জ্ঞানত জ্যোতি থাকিব আৰু তোমালোকৰ কথাতো সুস্পষ্ট জেউতি থাকিব, তোমালোকৰ দৃষ্টিত সদায় পোহৰ থাকিব, তোমালোকৰ কৰ্ণ, মুখ, ভাষণ অৰ্থাৎ প্ৰত্যেক খোজতে পোহৰ থাকিব। যি বাটেদি তোমালোকে ঘূৰা-ফুৰা কৰিবা সেই বাট সমূহ আলোকিত হ'ব। অৰ্থাৎ তোমালোকৰ প্ৰত্যেক বাট পোহৰেৰে আলোকিত হ'ব; আৰু তোমালোকৰ মূৰৰ পৰা ভৰিলৈকে পোহেৰে আলোকিত থাকিব। (আয়না কামালাতে ইছলাম, ৰুহানি খাজাইন খণ্ড ৫,পৃঃ ১৭৭-১৭৮)

আল্লাহ তা'লা আমাৰ সকলোকে তাকওৱা অৱলম্বন কৰি নিজৰ দায়িত্ব পালন কৰাৰ সৌভাগ্য দান কৰক। আল্লাহ তা'লা আমাৰ ত্ৰুটি , দুৰ্বলতা সমূহ ঢাকি ৰাখি নিজৰ কৃপা আমাৰ ওপৰত সদায় বৰ্ষিত কৰক। (ৰোজনামা আল ফজল ইণ্টাৰনেচনাল ২ জুন ২০২৩ চন, পৃঃ ২-৭)